**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জৰ্ডান ভ্ৰমণে দুয়োখন দেশৰ মাজত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে বুলি ভাৰত চৰকাৰৰ সচিব ড০ নীনা মালহোত্ৰাই প্ৰকাশ কৰে।

২। বিজয় দিৱস উপলক্ষে ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী, গৃহমন্ত্ৰী আৰু প্ৰতিৰক্ষা মন্ত্ৰীয়ে ছহিদসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ঐতিহাসিক জয়ক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি প্ৰতিৰক্ষা সম্পদ দিৱস উপলক্ষে নতুন দিল্লীৰ প্ৰতিৰক্ষা সম্পদ ভৱনৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব।

৪। জম্মু-কাশ্মীৰৰ উধমপুৰ জিলাৰ মাজালটা তেহছিলৰ চৌহান গাঁৱত সন্ত্ৰাসবাদীৰ সৈতে হোৱা গুলীয়াগুলিত কালি বিশেষ অভিযানকাৰী গোটৰ এজন জোৱানৰ মৃত্যু হয়।

আৰু

৫। মেক্সিক'ৰ ছানদ মাটেঅ' এটেনক' প্ৰদেশত এখন সৰু বিমান ধবংস হোৱাত ৭জন লোকৰ মৃত্যু হয়।

০০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ জৰ্ডান ভ্ৰমণে দুয়োখন দেশৰ মাজত ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলাইছে। এখন সংবাদমেলত ভাৰত চৰকাৰৰ অন্যতম সচিব ড০ নীনা মালহোত্ৰাই এই কথা উল্লেখ কৰে। ভাৰত আৰু জৰ্ডানৰ মাজৰ দ্বিপাক্ষিক সম্পৰ্কই ৭৫বছৰত উপনীত হোৱাৰ সময়তে প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণ অত্যন্ত তাৎপৰ্যপূৰ্ণ বুলি বিবেচিত হৈছে। জৰ্ডানলৈ বিগত ৩৭বছৰৰ ভিতৰত এয়া হৈছে ভাৰতৰ কোনো এগৰাকী প্ৰধানমন্ত্ৰীৰ পূৰ্ণ পৰ্যায়ৰ দ্বিপাক্ষিক ভ্ৰমণ।

সংবাদ মাধ্যমক সচিবগৰাকীয়ে কয়, যে জৰ্ডানৰ ৰাজধানী আম্মানত কালি প্ৰধানমন্ত্ৰী মোডী গাৰ্ড অব্ অনাৰসহ বিপুল আদৰণি জনোৱা হয়। প্ৰধানমন্ত্ৰী জৰ্ডানৰ ৰজা আব্দুল্লা দ্বিতীয়ৰ সৈতে দ্বিপাক্ষিক আলোচনাত মিলিত হয়। এই মুখামুখি আলোচনাৰ পূৰ্বে দুয়োখন দেশৰ মাজত প্ৰতিনিধি পৰ্যায়ৰ আলোচনা হয়। এই আলোচনাত যৌথ স্বাৰ্থজড়িত, দ্বিপাক্ষিক, আঞ্চলিকৰ লগতে বিভিন্ন গোলকীয় বিষয়ত মত বিনিময় কৰা হয়। ভাৰত-জৰ্ডানৰ আলোচনাত পৰ্যটনে গুৰুত্বপূৰ্ণ স্থান লাভ কৰে বুলি উল্লেখ কৰি ড০ মালহোত্ৰাই কয়, যে এই ক্ষেত্ৰত ভাৰতলৈ জৰ্ডানে পূৰ্ণ সমৰ্থন আগবঢ়াব। প্ৰধানমন্ত্ৰী মোডীয়ে জৰ্ডানৰ নেতাৰ নেতৃত্বক ভূয়সী প্ৰশংসা কৰে। ভাৰত-জৰ্ডানে অৰ্থনৈতিক সহযোগিতাৰ পুনৰীক্ষণ কৰে। সচিবগৰাকীয়ে জনোৱা অনুসৰি প্ৰধানমন্ত্ৰী মোডীয়ে অনাগত ৫ বছৰত দ্বিপাক্ষিক বাণিজ্য ৫ বিলিয়ন ডলাৰলৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ দিয়ে। লগতে প্ৰধানমন্ত্ৰীয়ে ভাৰতত সাৰৰ চাহিদা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি জৰ্ডানত অধিক বিনিয়োগৰ বিষয়ে দুয়োখন দেশৰ কোম্পানীসমূহে আলোচনাত বহাৰো পোষকতা কৰে। দুয়োগৰাকী নেতাই নতুন আৰু পুনৰ নৱীকৰণ শক্তি, তথ্য প্ৰযুক্তি, জল ব্যৱস্থাপনা আৰু উদ্ভাৱনৰ বিষয়েও

মত বিনিময় কৰে। শ্ৰীমোডীৰ এই ভ্ৰমণকালত জৰ্ডানৰ সৈতে পুনৰ নৱীকৰণ শক্তি, জল ব্যৱস্থাপনা, বৰষুণৰ পানী সংৰক্ষণ, ডিজিটেল ৰাজহুৱা আন্তঃগাঁথনি আৰু সাংস্কৃতিক বিনিময়ৰ কেইবাখনো বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। পৰ্যটনৰ বিকাশ আৰু সাংস্কৃতিক সহযোগিতাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ চুক্তি সম্পন্ন হয়।

আঞ্চলিক বিষয়সমূহৰ ভিতৰত গাজাৰ পৰিস্থিতিৰ সন্দৰ্ভত বিশেষভাৱে আলোচনা কৰা হয়। ড০ মালহোত্ৰাই প্ৰকাশ কৰে যে পেলেষ্টাইনৰ ক্ষেত্ৰত থকা দীৰ্ঘদিনীয়া স্থিতি দোহাৰি ভাৰতে অঞ্চলটোত শান্তি প্ৰতিষ্ঠাক আদৰণি জনায়।

আম্মানত থকা ভাৰতৰ ৰাষ্ট্ৰদূত মণিষ চৌহানে কয়, যে দুয়োখন দেশ পৰিবহণ, ৰেলৱে, আন্তঃগাঁথনি আৰু জনসংযোগৰ ক্ষেত্ৰত সহযোগিতা বৃদ্ধিৰ বাবে সহমতত উপনীত হয়। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োখন দেশৰ মাজত আস্থা আৰু যুটীয়া বুজাবুজি শক্তিশালী কৰিলে বুলি উল্লেখ কৰি চৰকাৰীভাৱে কোৱা হৈছে যে ইয়াৰ জৰিয়তে পশ্চিম এছিয়াৰ সৈতে ভাৰতৰ সম্পৰ্ক সুদৃঢ় হোৱাত সহায়ক হ'ব।

০০০০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি ১৯৭১ চনত ভাৰত-পাকিস্তান যুদ্ধত সাহসেৰে যুঁজ দি মৃত্যুবৰণ কৰা ছহিদসকলক শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ ঐতিহাসিক জয়ক শ্ৰদ্ধাৰে সোঁৱৰণ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কয়, যে জন্মভূমিৰ প্ৰতি ভাৰতীয় সেনাৰ ভালপোৱা, উচৰ্গিকীকৃত মনোভাৱ  আৰু সাহসে জাতিক সদায় গৌৰৱান্বিত কৰি আহিছে। তেওঁ লগতে কয়, যে সেনা বাহিনীৰ নায়কোচিত বীৰত্ব আৰু দেশপ্ৰেমে দেশৰ জনসাধাৰণক অনুপ্ৰাণিত কৰি আহিছে। থলুৱা উদ্ভাৱন আৰু পদক্ষেপৰ জৰিয়তে ভাৰতীয় সেনা বাহিনীক সৱলীকৰণ কৰি ভৱিষ্যতৰ প্ৰত্যাহ্বানসমূহ মোকাবিলা কৰিব পৰাকৈ সাজু কৰি তোলা হৈছে। অপাৰেচন সিন্দূৰ অভিযানত সেনা বাহিনীয়ে আত্মনিৰ্ভৰশীলতা, কৌশলগত যুঁজ আৰু আধুনিক যুদ্ধ প্ৰযুক্তিৰ কাৰ্যকৰী ব্যৱহাৰৰ জৰিয়তে লাভ কৰা সফলতাই সমগ্ৰ জাতিক অনুপ্ৰাণিত কৰা বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

সামাজিক মাধ্যমৰ এটা বাৰ্তাত উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কয়, যে সেনা বাহিনীৰ বীৰত্বই পাকিস্তানৰ বিপক্ষে ভাৰতৰ জয়লাভত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিছিল আৰু ইয়ে ভূ-ৰাজনৈতিক মানচিত্ৰত বাংলাদেশ নামৰ এখন স্বাধীন ৰাষ্ট্ৰ অন্তৰ্ভুক্ত কৰাবলৈ সমৰ্থ হৈছিল। শ্ৰী ৰাধাকৃষ্ণণে লগতে কয়, যে এই যুদ্ধই ন্যায় আৰু স্বাধীনতাৰ প্ৰতি ভাৰতৰ যি প্ৰতিশ্ৰুতিবদ্ধতা, তাক প্ৰতিফলিত কৰাৰ লগতে ভাৰতীয় সেনা, নৌ বাহিনী আৰু বায়ু সেনাৰ পেচাগত দৃঢ়তা প্ৰমাণ কৰিছে।

সাহসী সৈনিকসকলৰ বলিদানক শ্ৰদ্ধাৰে সোঁৱৰণ কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে তেওঁলোকৰ নিঃস্বাৰ্থ সেৱাই জাতিক সুৰক্ষিত কৰাৰ লগতে ভাৰত বুৰঞ্জীত এক গৌৰৱপূৰ্ণ মুহূৰ্ত সন্নিবিষ্ট কৰিছে। তেওঁ কয়, যে এই বিজয় দিৱসে সাহসী সৈনিকসকলৰ বীৰত্ব আৰু দৃঢ়তাক সোঁৱৰাই থাকে। তেওঁ দেশৰ সাহসী সৈনিকসকলৰ নায়কোচিত বীৰত্বই ভাৰতীয় প্ৰজন্মক অনুপ্ৰাণিত কৰি আহিছে বুলি উল্লেখ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয়, যে পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয়ে অন্যায়ৰ বিৰুদ্ধে ভাৰতৰ দৃঢ় স্থিতিক প্ৰতিপন্ন কৰাৰ লগতে ভাৰতীয় সেনা বাহিনীৰ সামৰ্থ্য আৰু সেনাৰ বীৰত্বক প্ৰকাশ কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কয়, যে সেনা বাহিনী, নৌ সেনা আৰু বায়ু সেনাই সু-সমন্বয়েৰে অভিযান চলাই বিজয়ৰ ইতিহাস ৰচনা কৰিছে। তেওঁ কয়, যে সৈনিকসকলৰ সাহস, বীৰত্ব, শৃংখলাবদ্ধতাই প্ৰজন্মৰ পাছত প্ৰজন্মক উদ্বুদ্ধ কৰি অহাৰ লগতে জাতিক শক্তিশালী কৰি তুলিছে।

বিজয় দিৱস উপলক্ষে নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত অনুষ্ঠিত এটা অনুষ্ঠানত প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে অংশগ্ৰহণ কৰে। প্ৰতিৰক্ষা বিভাগৰ মুৰববী জেনেৰেল অনিল চৌহান, সেনা বাহিনীৰ জেনেৰেল উপেন্দ্ৰ দ্বিবেদী, বায়ুসেনাৰ মুৰববী চীফ মাৰ্শ্বল, এ পি সিং আৰু নৌসেনাৰ মুৰববী এডমিৰেল দীনেশ কে ত্ৰিপাঠীও অনুষ্ঠানত উপস্থিত থাকে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে সমগ্ৰ দেশে আজি ১৯৭১ চনত পাকিস্তানৰ বিৰুদ্ধে হোৱা যুঁজত ভাৰতৰ জয়ৰ স্মৃতিত বিজয় দিৱস উদযাপন কৰিছে। প্ৰতিবছৰে আজিৰ দিনটোত বীৰ ছহিদসকলৰ সৰ্বোচ্চ ত্যাগৰ কাহিনীক স্মৰণ কৰি শ্ৰদ্ধা নিবেদন কৰা হয়। আজিৰ দিনটোতে ১৯৭১ চনত পাকিস্তানী সেনা বাহিনীৰ মুৰববী জেনেৰেল এ এ খান নিয়াজিয়ে ৯৩ হাজাৰ সেনাবাহিনীৰ সৈতে ভাৰতীয় সেনাৰ সন্মুখত বিনা চৰ্তে আত্মসমৰ্পণ কৰিছিল। এই যুদ্ধৰ সমাপ্তিত পূব পাকিস্তানৰ পৰিৱৰ্তে বাংলাদেশ হিচাপে এখন নতুন ৰাষ্ট্ৰ গঠন হৈছিল।

000000000

৫৪ সংখ্যক বিজয় দিৱস উপলক্ষে আজি ৰাজ্যসভাত ছহিদ সৈনিকসকলক শ্ৰদ্ধাঞ্জলি জনোৱা হয়। ১৯৭১ চনৰ যুদ্ধত পাকিস্তানৰ বিৰুদ্ধে ভাৰতৰ জয়ক বিজয় দিৱস হিচাপে পালন কৰি অহা হৈছে। আজি দিনৰ ১১ বজাত সদন মিলিত হোৱাৰ সময়ত ৰাজ্যসভাৰ সভাপতি চি পি ৰাধাকৃষ্ণণে এই ঐতিহাসিক বিজয়ত অংশগ্ৰহণ কৰা সৈনিকসকলৰ সাহস আৰু বীৰত্বৰ শলাগ লয়। তেওঁ কয়, যে এই বিজয়ে বাংলাদেশ নামৰ এখন স্বাধীন ৰাষ্ট্ৰৰ জন্মত বিশেষ অৰিহণা আগবঢ়াইছিল। ১৩ দিনীয়া এই যুদ্ধত ভাৰতৰ স্থল, বায়ু আৰু নৌবাহিনীৰ সৈনিকসকলে সাহসিকতাৰে যুঁজি বিজয় সাব্যস্ত কৰিছিল। এই সৈনিকসকলৰ সাহস আৰু বিজয় গাঁথাই ভাৰতীয় লোকসকলক অনুপ্ৰেৰণা দিয়াৰ লগতে দিক্ নিৰ্দেশনাও দি আহিব আৰু ইয়ে দেশৰ সাৰ্বভৌমত্ব আৰু একতাত উল্লেখযোগ্য বৰঙণি আগবঢ়াব বুলিও উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আশা প্ৰকাশ কৰে।

000000000

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি প্ৰতিৰক্ষা সম্পদ দিৱস উপলক্ষে নতুন দিল্লীৰ প্ৰতিৰক্ষা সম্পদ ভৱনৰ অনুষ্ঠানত অংশগ্ৰহণ কৰিব। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে প্ৰতিৰক্ষা ভূমি ব্যৱস্থাপনা তথা পৌৰ প্ৰশাসনৰ ক্ষেত্ৰত আগবঢ়োৱা উৎকৃষ্ট সেৱাৰ বাবে প্ৰতিৰক্ষা মন্ত্ৰী বঁটা প্ৰদান কৰিব। আজিৰ দিনটোতেই পশ্চিমবংগৰ বৈৰকপুৰত ১৭৬৫ চনত সেনাবাহিনীৰ প্ৰথমটো স্থায়ী নিবাস স্থাপন কৰা হৈছিল।

000000000

জম্মু-কাশ্মীৰৰ উধমপুৰ জিলাৰ মাজালটা তেহছিলৰ চৌহান গাঁৱত সন্ত্ৰাসবাদীৰ সৈতে হোৱা গুলীয়াগুলিত কালি বিশেষ অভিযানকাৰী গোটৰ এজন জোৱানৰ মৃত্যু হয়। এই ঘটনাত দুজন জোৱান আৰু এজন সন্ত্ৰাসবাদী আহত হয়। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি পাকিস্তানৰ জইচ-ই-মহম্মদ নামৰ সংগঠনটোৰ তিনিজন সন্ত্ৰাসবাদীৰ উপস্থিতিৰ খবৰ পাই নিৰাপত্তা বাহিনীয়ে গাঁওখনত অভিযান চলাইছিল। বিশেষ অভিযানকাৰী গোটৰ মৃত্যু হোৱা জোৱান জন হৈছে আমজাদ পাঠান। ঘটনাৰ পাছতে সমগ্ৰ অঞ্চলটোত কঠোৰ সুৰক্ষা ব্যৱস্থা গঢ়ি তোলা হয়।

000000000

মেক্সিক'ৰ ছানদ মাটেঅ' এটেনক' প্ৰদেশত এখন সৰু বিমান ধ্বংস হোৱাত ৭জন লোকৰ মৃত্যু হয়। স্থানীয় প্ৰশাসনে কয়, যে টলুকা ভেলীৰ টলুকা আন্তৰ্জাতিক বিমান বন্দৰৰ সমীপৰ এটা ঔদ্যোগিক স্থানত

বিমান দুৰ্ঘটনাটো সংঘটিত হয়। দুৰ্ঘটনাৰ সময়ত পাইলট আৰু সহ পাইলটকে ধৰি বিমানখনত ১০গৰাকী আৰোহী আছিল। দুৰ্ঘটনাটোৰ তদন্ত চলাই থকা হৈছে। প্ৰশাসনে জনোৱা অনুসৰি দুৰ্ঘটনাৰ কেইবা ঘণ্টাৰ পাছতো ৭টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। বিমানখনে এখন খেলপথাৰত অৱতৰণ কৰাৰ চেষ্টা কৰিছিল, কিন্তু এটা ভৱনত খুন্দা মৰাত জুই জ্বলি উঠে।

oooooooooo

সমাপ্ত